**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 21-02-2026 **Time :** 1100 Hrs.
0000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। সৰুসজাইত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত আছে। শ্ৰীশ্বাহে আজি সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। ২৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই ছাউনীত ফায়াৰিং ৰেঞ্জ, প্ৰশিক্ষণ গাউণ্ড, নিৰীক্ষণ কেন্দ্ৰ আদিৰ উপৰি পুৰুষ আৰু মহিলা আৰক্ষীৰ বাবে পৃথক বেৰকৰ সুবিধাকে ধৰি বহু ব্যৱস্থা থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকী কাছাৰ ভ্ৰমণ সামৰি কালি নিশা গুৱাহাটীত উপস্থিত হয়।

0000000

আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস। ভাষিক আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ লগতে মাতৃভাষাৰ মহত্ব প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ বাবে প্ৰতিবছৰে ২১ ফেব্ৰুৱাৰী দিনটোত আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰি অহা হৈছে। ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্কই প্ৰথমবাৰৰ বাবে এই দিৱসৰ ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ এখন ঘোষণা পত্ৰৰ জৰিয়তে আনুষ্ঠানিকভাৱে এই দিৱসৰ স্বীকৃতি প্ৰদান কৰে। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে - YOUTH VOICES ON MULTI-LINGUAL EDUCATION।

0000000

বিশ্বনাথ জিলাৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন মাত্ৰা প্ৰদান কৰি কালি ডিব্ৰুগড়ৰ পৰা নতুন দিল্লীলৈ যোৱা ৰাজধানী এক্সপ্ৰেছৰ ৰে'লৰ ষ্টপেজ মুকলি কৰা হয়। শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তই এই ষ্টপেজ ব্যৱস্থা মুকলি কৰে। তেওঁ কয়, যে বিশ্বনাথ চাৰিআলিত ৰাজধানী এক্সপ্ৰেছ ৰে'লগাড়ীৰ ষ্টপেজে জিলাখনৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ যাত্ৰীসকলৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব। বিশেষকৈ ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু ব্যৱসায়ীসকল বিশেষভাৱে উপকৃত হ'ব বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে এই ব্যৱস্থাৰ বাবে প্ৰধানমন্ত্ৰী তথা ৰে'লমন্ত্ৰীক ধন্যবাদ জনায়।

0000000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা কাইলৈৰ পৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এই মেলা ৮ মাৰ্চত সমাপ্ত হ'ব। গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা কাৰিকৰসকলৰ নিৰ্মিত সামগ্ৰীৰে চৰচ মেলাত ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

নগাওঁ চহৰত অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা চিটি বাছ সেৱা আৰম্ভ হ'ব। প্ৰথম পৰ্য্যায়ত কঠীয়াতলিৰ পৰা বৰঘাট-মৰিকলঙৰে ক্লক টাৱাৰ হৈ মেট্ৰ হাস্পতাললৈ, ডিমৌ অভাৰব্ৰীজৰ পৰা নগাওঁ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সন্মুখেৰে ৰূপহীহাট বজাৰলৈ আৰু বেবেজীয়াৰ পৰা নগাওঁ ষ্টেডিয়াম বজাৰৰ সন্মুখেৰে পুৰণি গুডামলৈ চিটি বাচ চলিব। দৈনিক পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ চিটি বাছ সেৱা উপলব্ধ হ'ব। এই উপলক্ষে ২৫ ফেব্ৰুৱাৰীত নেহেৰুবালি খেলপথাৰত জিলা প্ৰশাসন, জিলা পথ সুৰক্ষা সমিতি আৰু জিলা পৰিবহন বিভাগে উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী বিধানসভা সমষ্টিৰ কেইবাটাও অঞ্চলত কালি সাংসদ ৰঞ্জিত দত্তই বিভিন্ন আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া পথসমূহৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰে মোনাবাৰী গাওঁপথৰ পৰা চবিলাল তেলেংগা পথ, উড়িয়া বস্তি পথ হৈ নেফা তিনিআলি কালাহান্দি প্ৰাথমিক বিদ্যালয়লৈ যোৱা পথ, ৰঙাজান-ন'মৰা পথ, তেঙাবাৰী-বৰজাৰনী মিকিৰ প্ৰাথমিক বিদ্যালয় পথ, লালপানী-পাভৈ-বৰগাং পথ, পূব জিঞ্জিয়া এৰাংগা পুখুৰী-পূব জিঞ্জিয়া গাওঁ পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ মাদুৰআলী এৰাংগা পথৰ আধৰশিলা স্থাপন কৰা হয়। এই আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ দত্তৰ সৈতে বিধায়ক দিগন্ত ঘাটোৱাল আৰু ভালে সংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**